
ASSAMESE

# হাঁহি থকা পিয়াঁজটো

অৰুন এলাচেৰী
ছবি: অনিতা বৰ্মন



eklavya




# হাঁহি থকা পিয়াঁজটো

অৰুন এলাচেৰী

ছবি: অনিতা বৰ্মন

eklavya





The Laughing Onion
Arun Elassery
Art : Anita Varma
Assamese Translation: Ayang Trust & The Hummingbird School family
Editorial consultants: Nirmali Goswami and Priaydarshika Medhi

The story and illustrations in this book are licensed under the Creative Commons license Attribution-Non-Commercial-NoDerivatives 4.0 International (CC BY-NC-ND 4.0) as in https://creativecommons.org/licenses/by-nc-nd/4.0/

You are free to copy and distribute the story and the illustrations with no change for non-commercial purposes with attribution to the original author, illustrator and publisher. For any other kind of permissions, including remixing, transforming or building upon the story or the illustrations in this book, the author and illustrator must be contacted through the publisher.

Development of this book was supported by the H T Parekh Foundation.

First edition: March 2023 (1000 copies)
Reprint: September 2025 (1000 copies)
Paper: 100 gsm Maplitho and cover 220 gsm FB Board
ISBN: 978-93-94552-50-0
Price: ₹ 110.00

Published by: **Eklavya Foundation**
Jamnalal Bajaj Parisar, Jatkhedi, Bhopal (MP) 462 026
Phone: +91 755 297 7770-71-72
Website: www.eklavya.in; Email: books@eklavya.in

Printed at: R K Secuprint Pvt Ltd, Bhopal; Phone: +91 755 268 7589

লাইট বন্ধ  কৰি ল’ৰা ছোৱালী দুটা যেতিয়া ককাকৰ সৈতে বিচনালৈ গৈছিল তেতিয়া ল’ৰাটোৱে কৈছিল – “মই আজি তোমালোকক এটা সাধু ক’ম।“



ছোৱালীজনীয়ে উছপ খাই ক'লে – "নাই নাই দেই ককা, সি সাধু ক'ব নাজানে। মই এজনী ছয় বছৰীয়া ছোৱালী হৈও মই কোনোধৰনৰ নতুন সাধু ক'ব নাজানো আৰু সি মাত্র আঢ়ৈ বছৰীয়া। সি কেনেকৈ সাধু ক'ব? সি মাত্র তুমি কোৱা কিছুমান সাধু মিহলাই আমাক এটা খিছিৰি সাধু ক'ব। তাৰ সলনি তুমি বান্দৰৰ সাধুটো কোৱা।"





ককাকে ছোৱালীজনীৰ মৰম ভৰা মুখখনলৈ আৰু বিচনাত বাগৰি থকা সৰু ল'ৰাটোলৈ চালে, আৰু হাঁহি এটা মাৰি ক'লে, "যিকোনো মানুহেই সাধু ক'ব পাৰে আৰু তুমি জনা সাধুও এনেকুৱাই। কিন্তু মই বহুত কাহিনী জানো আৰু পঢ়োঁ। সেয়েহে মোৰ খিছিৰিত বহুত বস্তু মিলাব পাৰোঁ। তুমি তোমাৰ সাধুটো কোৱা, সোন।"


“ঠিক আছে,” এই বুলি কৈ সৰু ল’ৰাটোৱে আৰম্ভ কৰিলে – “বহু আগতেই এখন হাবিত এটা হৰিণ আছিল। তাৰ পিছত.....সেই হৰিণটোক এটা পিয়াঁজে খাইছিল।”





ককাকে সৰু ল'ৰাটোৰ ফালে ঘূৰি ক'লে, "সোন, হৰিণে পিয়াঁজটো খালে বুলি কৈছা নেকি?" সৰু ল'ৰাটোৱে আকৌ আৰম্ভ কৰিলে, "বহু আগতেই এখন হাবিত এটা হৰিণ আছিল। তাৰ... পিছত পিয়াঁজটোৱে হৰিণটো খাই পেলালে।"

ছোৱালীজনীয়ে ক'লে, "ককা, সি আন কিবা এটা বস্তু বুজাবৰ বাবেহে পিয়াঁজৰ কথা কৈ আছে, কিন্তু কি বস্তু সেইটো মইও মনত পেলাব পৰা নাই।" ককাকে সুধিলে, "আমি যে ঘৰত খাওঁ সেইটো পিয়াঁজ?"




সৰু ল'ৰাটোৱে ক'লে, "নহয় নহয় হাবিত থকা পিয়াজটো, যিটো দেখাত এটা কুকুৰৰ দৰে আৰু হোৱা হোৱা শব্দ কৰি থাকে।"

"অহ! সেই হাঁহি থকা শিয়ালটো!" ককাক আৰু ছোৱালীজনীয়ে হাঁহিলে।

"হ..... য়!" সৰু ল'ৰাটোৱে সাহস পালে আৰু পুনৰ সাধুটো ক'বলৈ আৰম্ভ কৰিলে – "বহুত আগতে.... এখন হাবিত এটা হৰিণ আছিল। তাৰ পাছত........ সেই হৰিণটোক এটা শিয়ালে খাইছিল, যিয়ে হোৱা...হোৱা.... কৰি আছিল।"




“তাৰ পাছত বান্দৰটো গছজোপাৰ ওপৰত বহিল। চানাৰ এটা দানা তললৈ পৰি গ'ল। তেতিয়া বান্দৰটোৱে খং কৰি সকলো চানা পেলাই দিলে।”





“তেনেতে ওচৰৰ আন এজোপা গছৰ ডালত এটা চৰাই আছিল। আৰু........”

“......গছজোপা বাগৰি পৰিল।
তেতিয়া সিংহটোৰ খং উঠিল।”





তাৰ পাছত সৰু ল’ৰাটোৱে কিছুসময় একো নোকোৱাকৈ আছিল। ককাক আৰু ছোৱালীজনীয়ে সুধিলে, “তাৰ পাছত কি হ’ল?”

“তেতিয়া.... সিংহটোৰ বহুত বেছি খং উঠিল আৰু বাঘটো খাই পেলালে।”



“ইয়াৰ পাছত কি হ’ল?”
ককাকে সুধিলে।



“তাৰ পাছত,” সৰু ল’ৰাটোৱে ক’লে, “কাহিনীটো হাবিলৈ গ’ল, আমি ঘৰলৈ গুচি আহিলো।”

ককাকে হাতচাপৰি মাৰি ক’লে, “বাঃ কি যে ডাঙৰ সাধু! এইটো এটা আচৰিত সাধু আছিল। আৰু তোমালোকে ভাবা নে....হয়টো আমি পাল পাতি সাধু কোৱা উচিত।”





......এতিয়াও কথা পাতি আছে যদিও টোপনিৰ লগে লগে মাতবোৰ সৰু হৈ গৈছে। গতিকে এইবোৰ তাতেই এৰি দিয়া হওঁক। কাহিনী কওঁতা আৰু শুনোতাসকল আৰু নিশাৰ তৰাবোৰে নিজৰ লগৰিয়া বিচাৰিব ধৰিছে।

শুভৰাত্ৰি !


## ছবিৰ কাহিনী কিয়?

পঢ়িবলৈ শিকা শিশু বা যি সকলে শেহতীয়াকৈ পঢ়িবলৈ শিকিছে তেওঁলোকক এই নতুন দক্ষতা পৰীক্ষা কৰিবলৈ বহুত কাহিনীৰ প্ৰয়োজন।

চিনাকি প্ৰসংগক কেন্দ্ৰ কৰি থোৱা কাহিনী, য'ত মাত্ৰ কেইটামান চৰিত্ৰই নতুন পৰিস্থিতিৰ সন্মুখীন হৈছে, নতুন প্ৰশ্নৰ সৈতে যুঁজি আছে। কাহিনীটোত কিছুমান শব্দ বা বাক্য আওৰাই থাকিব লাগে আৰু লগতে নতুন কিবা এটাও থাকিব লাগে। ছবিৰ কাহিনীয়ে পঢ়ি থকা শিশু সকলক এই সুযোগ সমূহ প্ৰদান কৰে। ছবিৰ কাহিনীৰ কিতাপত বহুত ছবি থাকিব লাগে যি বোৰৰ আকৰ্ষণীয় বিবৰণ থাকে আৰু বিছাৰি উলিওৱা, আৰু কৰিবলৈ খেলাৰ সুযোগ সৃষ্টি কৰে। প্ৰতিটো পৃষ্ঠাতে ছবিখনে কোৱা কথাখিনি সম্পূৰ্ণ কৰি এটা বা দুটা সহজ বাক্য থাকিব লাগে। এনে বাক্য পঢ়ি শিশুৱে কাহিনীটোৰ অৰ্থ বুজিবলৈ সক্ষম হয়।

**ভাল ছবি কাহিনীবোৰ ল'ৰা-ছোৱালীৰ**

**লগত বহুত দিন থাকে।**



eklavya

Price: ₹ 110.00

9 789394 552500